দেৱজিৎ ভূঞা

# এলে বেলে MBA পাছ



প্ৰথম অধ্যায়

Peter Drucker আৰু IIMৰ নাম নুশুনা এখন গাঁৱত আমাৰ জন্ম। মেনেজমেণ্টৰ বিষয়ে লিখিবলৈ যোৱাৰ আগতে সেয়ে স্মৃতিৰ পুৰণি কথাবোৰলৈ ঘূৰি যাব বিচাৰিছো য'ত আৰম্ভ হৈছিল আমাৰ আদিপাঠ— মেনেজমেণ্টৰ, আচলতে জীৱনৰ।

মেনেজমেণ্টৰ কথা বুলিলে প্ৰথমে সদায়ে মোৰ মনত পৰে দেউতাই শিকোৱা এটা কথা আৰু এটা গান— 'সত্য আৰু সুন্দৰৰ আৰাধনাই হৈছে জীৱনৰ খেল, জীৱনৰ লক্ষ্য।' সেয়ে হয়তো দেউতাই আমাক গাবলৈ শিকাইছিল এই গানটো— 'তোৰে মোৰে আলোকৰে যাত্ৰা, অব্যৰ্থ, অব্যৰ্থ আমি পালো জীৱনৰ অৰ্থ অভিনৱ, স্বাগত স্বাগত সতীৰ্থ'। তেতিয়া গানটোৰ গূঢ়াৰ্থ বুজা নাছিলো যদিও দেউতাৰ লগত চিঞৰি চিঞৰি গাইছিলো, মাজে মাজে গৰমৰ দিনত নিশা চোতালত কণ্ঠ পাৰি আকাশৰ তৰা চাই থাকোতেও দেউতাই আমাক নিজেই বহুবাৰ গাই শুনাইছিল— তোৰে মোৰে আলোকৰে যাত্ৰা... আজিও কাণত দেউতাৰ সুৰ ভাহি উঠে। মেনেজমেণ্টৰ কিতাপ পঢ়াৰ পিচত ডেৰকুৰি বছৰ মেনেজমেণ্টৰ বিভিন্ন স্তৰৰ কামৰ লগত জড়িত হৈ এতিয়া বুজি পাওঁ দেউতাৰ কথাষাৰি আৰু গানটো শিকোৱাৰ গূঢ়াৰ্থ।

সৰুতে স্কুলত থাকোতে এটা সাধু পঢ়িছিলো। এসময়ত এজোপা গছত এজনী ভাটৌ চৰাই আছিল। এবাৰ ভাটৌজনীৰ দুটা পোৱালি জন্ম হ'ল আৰু সেই পোৱালি দুটা কোনোবাই লৈ গৈ বজাৰত বিক্ৰী কৰিলে। তাৰে এটা এজন সাধুৱে নিজৰ আশ্ৰমলৈ লৈ গ'ল আৰু আনটো এজন ব্যাধে নিজৰ ঘৰলৈ লৈ গ'ল। কিছুদিনৰ পাচত ভাটৌ বিক্ৰী কৰা ব্যক্তিজন কিবা কাৰণত ব্যাধৰ ঘৰলৈ যাবলগা হ'ল। ব্যাধৰ ঘৰ পোৱাৰ লগে লগে ভাটৌটোৱে চিঞৰিবলৈ ধৰিলে— ধৰ ধৰ মাৰ মাৰ; তাক মাৰ...। ভাটৌটোৰ এনে আচৰণত ব্যক্তিজন আচৰিত হ'ল। তাৰ কিছুদিন পিচত সেই ব্যক্তিজন এবাৰ সাধুজনৰ আশ্ৰমলৈ যাবলগা হ'ল। আশ্ৰম পোৱাৰ লগে লগে ভাটৌটোৱে সুমধুৰ সুৰত অভ্যৰ্থনা জনালে। আহক বহক। মই কিদৰে আপোনাক শুশ্ৰূষা কৰিব পাৰো?... ভাটৌটোৰ এই আচৰণত ব্যক্তিগৰাকী আকৌ আচৰিত হ'ল আৰু সাধুগৰাকীক সুধিলে যে দুয়োটা ভাটৌ একেটা ভাটৌৰে পোৱালি আৰু একেলগে জন্ম, তথাপি দুয়োটা ভাটৌৰ আচৰণ সম্পূৰ্ণ বেলেগ কিয়? সাধুৱে ব্যক্তিগৰাকীক বুজাই ক'লে যে জন্মত সকলো একে থাকে কিন্তু পৰিবেশ আৰু শিক্ষাইহে মানুহক গঢ়ি তোলে। ব্যাধৰ ঘৰত ভাটৌটোৱে সৰুৰে পৰা ধৰ ধৰ মাৰ মাৰ শুনি আহিছে আৰু হিংসাৰ পৰিবেশ পাই ডাঙৰ হৈছে। গতিকে তাৰ আচৰণো তেনেধৰণৰ হৈছে। আনহাতে আশ্ৰমত থকা ভাটৌটোৱে সৰুৰে পৰা মানুহৰ সেৱা-শুশ্ৰূষা দেখিছে, সজ প্ৰবচন শুনি ডাঙৰ হৈছে। গতিকে তাৰ ব্যৱহাৰ আৰু আচৰণো তেনেধৰণৰ হৈছে। মেনেজমেণ্ট শিক্ষাৰ ক্ষেত্ৰতো একেই কথা খাতে। মেনেজমেণ্ট শিক্ষাৰ ভেটি ঘৰখনতহে আৰম্ভ হয়। কোনো বিশ্ববিদ্যালয় বা মেনেজমেণ্ট স্কুলৰ চাৰি দেৱালৰ মাজত নহয়। সৰুৰে পৰা ডাঙৰ হোৱা ঘৰখনৰ পৰিবেশ, নিজৰ চুবুৰি আৰু গাঁৱৰ পৰিবেশ, স্কুলৰ পৰিবেশ ইত্যাদিৰ মাজত মেনেজমেণ্ট শিক্ষাৰ আদিপাঠ আৰম্ভ হয় আৰু সেইবোৰেই গৈ সময়ত একো একোজনক ভাল আৰু কাৰ্যক্ষম মেনেজাৰ আৰু আন এজনক ব্যৰ্থ মেনেজাৰ বা পৰিচালক হিচাপে গঢ় দিয়ে। আমাৰ অসমীয়াত কোৱা 'গায়নৰ ঘৰৰ কুকুৰেও ৰাউচি দিয়ে' বোলা কথাষাৰৰ যুক্তিযুক্ততা নুই কৰিব নোৱাৰি।

পৰিৱেশ আৰু সৰুকালৰ শিক্ষাই জীৱনৰ ভেটি গঢ়ি তোলে। পিতৃ-মাতৃ আৰু পৰিয়ালৰ নীতি আৰু আদৰ্শই এই



শিক্ষাৰ ভেতিত যে বিস্তৰ প্ৰভাৱ পেলায় সেয়া এক সত্য। স্বাধীনতা আন্দোলনত যোগদানৰ পাচত দেশৰ স্বাধীনতাৰ স্বৰূপ অনুধাৱন কৰি দেউতাই বিষ্ণুপ্ৰসাদ ৰাভা, ছামচুল হুদা আদি ব্যক্তিৰ লগত বাওঁপন্থী আন্দোলনত যোগদান কৰি জে'ললৈ যাব লগা হৈছিল। সেয়ে সৰুৰে পৰা আমি ঘৰত প্ৰায়ে শুনিছিলো ভি আই লেনিন, কাৰ্লমাৰ্ক্স, মাও ছে তুং, চেগুৱাভাৰ, সুভাষ চন্দ্ৰ বসু, মহাত্মা গান্ধী আদিৰ কাহিনী আৰু কথা। আমাৰ ঘৰৰ দেৱালত সেয়ে ওলমি আছিল ভি আই লেনিন, মহাত্মা গান্ধী আৰু মহাপুৰুষ শংকৰদেৱৰ ফটো।

সেই সময়বোৰ তেতিয়া শীতল যুদ্ধৰ সময়। এফালে আমেৰিকা যুক্তৰাষ্ট্ৰ (NATO) আৰু আনফালে ছোভিয়েট ইউনিয়ন বা USSR। এই শীতল যুদ্ধৰ পৰিবেশে আমাৰ মানসিকতা গঢ়াত বহুতো প্ৰভাৱ পেলাইছিল। ব্যক্তিগত খণ্ডতকৈ আমি সেই সময়ত ৰাজহুৱা খণ্ডকেই উন্নতি আৰু প্ৰগতিৰ উপযুক্ত পথ বুলি ভাবিছিলো। USSR বা ছোভিয়েট ইউনিয়ন ভাঙি-ছিঙি যোৱা, বাৰ্লিন ওবাল ভাঙি পূব আৰু পশ্চিম জাৰ্মানী এক হোৱা ইত্যাদি কথা তেতিয়া কল্পনাৰো অগোচৰ আছিল। তেতিয়াৰ অলিম্পিক খেল আছিল অঘোষিত শীতল যুদ্ধৰ বহিঃপ্ৰকাশ। মেনেজমেণ্ট বা MBA শিক্ষাত যেতিয়া আমি Business Environmentৰ কথা কওঁ তেতিয়া সদায়ে প্ৰচলিত সামগ্ৰিক বাতাৱৰণৰ ওপৰত ই নিৰ্ভৰ কৰে। গতিকে সামাজিক আৰু ৰাজনৈতিক বাতাৱৰণৰ কথা স্কুলৰ দিনৰে পৰা বা সৰু কালৰে পৰা লক্ষ্য নকৰি সেই বিষয়ে জ্ঞান আহৰণ নকৰি কেৱল মাত্ৰ কেইখনমান কিতাপ পঢ়ি পৰীক্ষাত উত্তীৰ্ণ হৈ মেনেজমেণ্টৰ গুৰু বা এক্সপাৰ্ট হোৱাটো কঠিনেই নহয়, অসম্ভৱো।

পৃথিৱীৰ ভূগোল বা বুৰঞ্জী এটাও স্থানীয় নহয়। আমি পঢ়া দিনৰ পৰা আজিলৈকে ভূগোল আৰু বুৰঞ্জী ক্ৰমান্বয়ে পৰিবৰ্তন হৈ আহিছে আৰু এই পৰিবৰ্তন নিৰবচ্ছিন্ন। ইংৰাজীত ইয়াক Continuous discontinuity and discontinuous continuity বুলি ক'ব পাৰি। মেনেজমেণ্ট বা MBA শিক্ষাৰ এক গুৰুত্বপূৰ্ণ বিষয়, সেয়ে পৰিবৰ্তন পৰিচালনা (Change management), পৰিবৰ্তন যে কেৱল ভূগোল বা বুৰঞ্জীতহে হৈছে এনে নহয়, পৰিবৰ্তন হৈছে বিজ্ঞানত, সমাজ ব্যৱস্থাত, সাহিত্যত, সংস্কৃতিত, প্ৰযুক্তিবিদ্যাত। হয়তো পৰিবৰ্তনৰ নিজৰ বাহিৰে সকলো পৰিবৰ্তন হৈছে। সুখৰ কথা এয়ে যে পৰিবৰ্তন সদায়ে ভালৰ বাবে হয়। পৰিবৰ্তনৰ বাবেই বিৱৰ্তনৰ দ্বাৰা এককোষী জীৱৰ পৰা আজি আধুনিক মানৱৰ সৃষ্টি হৈছে। সৰুৰে পৰা নিজৰ ঘৰখনৰ পৰিবেশৰ মাজত যিয়ে পৰিবৰ্তনক হৃদয়ংগম কৰি আগুৱাই লৈ আছে তেৱেঁই জীৱনত উন্নতিৰ দিশত আগবাঢ়ি গৈ আছে। পৰিবৰ্তনৰ লগতে জড়িত হৈ আছে নতুন কথা, শিক্ষা আৰু নতুন কথা জনাৰ স্পৃহা। যিহেতু বিজ্ঞান, সমাজ, প্ৰযুক্তিৰ পৰিবৰ্তন হৈ আছে সেয়ে আমিও নিৰৱচ্ছিন্নভাৱে নিজৰ শিক্ষাৰ পৰিবৰ্তন আৰু উৎকৰ্ষ সাধন কৰি যাব লাগিব। ইংৰাজীত আমি সেয়ে সদায়ে Learn-unlearn-relearn কথা কওঁ। শিকিব লাগিব, পাহৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে আকৌ শিকিব লাগিব। বিৱৰ্তনৰ ইতিহাসত যি প্ৰজাতিয়েই পৰিবৰ্তনৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা নাই তেনে প্ৰজাতিয়েই বিলুপ্ত হৈ গৈছে সময়ৰ সোঁতত। মেনেজমেণ্ট বা MBA শিক্ষাতো পৰিবৰ্তন গ্ৰহণ কৰিব পৰাটো (Adopting change) এক অতি প্ৰয়োজনীয় শিক্ষা। পৰিবৰ্তনৰ লগত নিজকে খাপ খুৱাই নিব পৰাৰ মানসিকতা কিন্তু সৃষ্টি হয় সৰুতে ঘৰখনতহে। এখন গোড়া আৰু ৰক্ষণশীল (Orthodox) পৰিবেশত জন্ম আৰু ডাঙৰ-দীঘল হোৱা এজন ব্যক্তিতকৈ মুকলি পৰিবেশত ডাঙৰ হোৱা এজন ব্যক্তি সদায়ে পৰিবৰ্তন adopt কৰাৰ ক্ষেত্ৰত বেছি ভাল আৰু efficient হোৱাটো নিশ্চিত। অৱশ্যে পৰিবৰ্তনৰ নাম বতাহত উটি গৈ অপসংস্কৃতি আৰু কু-সংস্কৃতি সামৰি লোৱাজন কেতিয়াও মেনেজমেণ্ট শিক্ষাৰে শিক্ষিত MBA হ'ব নোৱাৰে। কাৰণ মেনেজমেণ্ট শিক্ষাৰ মূল উদ্দেশ্য বা লক্ষ্য হ'ল সত্য আৰু সুন্দৰৰ আৰাধনা। আনহাতে কু-সংস্কৃতি আৰু অপ-সংস্কৃতি হ'ল deformation, পৰিবৰ্তন বা change নহয়। ■

**আগলৈ...**

